অধ্যায় ২ ঃ উত্তৰ-পূব ভাৰতৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ উত্তৰ-পব ভাৰতৰ অৱস্থিতি

২.৪ উত্তৰ-পূব ভাৰতৰ চাৰি সীমা

২.৫ উত্তৰ-পূব ভাৰতৰ পৰিৱেশতন্ত্ৰ

২.৬ অসম- ইয়াৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰ

২.৭ উত্তৰ-পূব ভাৰতৰ উদ্ভিদ আৰু প্ৰাণী জগত তথা দুষ্প্ৰাপ্য প্ৰজাতি

২.৮ পাৰিপাৰ্শ্বিক জৈৱ-বৈচিত্ৰ্যময় অঞ্চল

২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১০ অধিক জানিবলৈ

২.১১ অগ্ৰগতিৰ খতিয়ান

২.১২ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- উত্তৰ-পূৰ্বাঞ্চলৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰৰ বিষয়ে জানিব পাৰিব
- পাৰিপাৰ্শ্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিব
- অসমৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰ সম্পৰ্কে অৱগত হ'ব
- উত্তৰ-পূৰ্বাঞ্চলৰ উদ্ভিদ, প্ৰাণী জগত আৰু দুষ্প্ৰাপ্য প্ৰজাতিসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- পাৰিপাৰ্শ্বিক জৈৱ-বৈচিত্ৰ্যৰে সমৃদ্ধ অঞ্চলসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব

২.২ পৰিচয়

এই পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়ত আপুনি উত্তৰ-পূব ভাৰতৰ ধাৰণা লাভ কৰাৰ লগতে ইয়াৰ প্ৰাচীন, ঔপনিৱেশিক আৰু উত্তৰ ঔপনিৱেশিক যুগৰ ধাৰণা লাভ কৰিলে।

এই অধ্যায়টিয়ে আপোনাক ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ পাৰিপাৰ্শ্বিকতাত থকা ভিন্নতাৰ সৈতে পৰিচয় কৰাব। এই ভিন্নতাই অঞ্চলটোৰ ভৌগোলিক অৱস্থিতি আৰু ভূ-আকৃতিগত সজ্জাৰ (physiological settings) এক বিস্তৃত ছবি দাঙি ধৰে। জলবায়ু, বৰষুণৰ পৰিমাণ, নদী ব্যৱস্থা, উদ্ভিদ আৰু প্ৰাণী জগত তথা পাৰিপাৰ্শ্বিক জৈৱ বৈচিত্ৰ্যময় অঞ্চল আদিৰ দৰে গুৰুত্বপূৰ্ণ

কাৰকসমূহো আলোচনাৰ অন্তৰ্ভুক্ত কৰা হৈছে। পৰিৱেশতন্ত্ৰৰ বিচিত্ৰ প্ৰকৃতিৰ চানেকি থকা অসমৰ কথা অধ্যায়টিত বিশেষভাৱে আলোচনা কৰা হৈছে।

২.৩ উত্তৰ-পূব ভাৰতৰ অৱস্থিতি

ভাৰতৰ উত্তৰ-পূব অঞ্চলটো আঠখন ৰাজ্য, ক্ৰমে, অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ছিকিম আৰু ত্ৰিপুৰাৰে গঠিত। অঞ্চলটো ভাৰতৰ একেবাৰে পূব প্ৰান্তত অৱস্থিত। অঞ্চলটো ২১.৫৭ উত্তৰৰ পৰা ২৯.৩০ উত্তৰ দ্ৰাঘিমাংশ আৰু ৮৯.৪৬ পূবৰ পৰা ৯৭.৩০ পূব দ্ৰাঘিমাংশৰ ভিতৰত অৱস্থিত। উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ মাটিকালি ২৬২,২৩০ বৰ্গ কি. মি.। ই ভাৰতৰ সৰ্বমুঠ মাটিকালিৰ ৭৯.৮ শতাংশ। উত্তৰ-পূব ভাৰত বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা পৰিৱেষ্টিত। ইয়াৰ পূবে ম্যানমাৰ, উত্তৰে ভূটান আৰু চীন, দক্ষিণ-পশ্চিম দিশে বাংলাদেশ আৰু পশ্চিমে নেপাল অৱস্থিত। পশ্চিম বংগৰ শিলিগুড়িয়ে উত্তৰ-পূৰ্বাঞ্চলক মূল ভাৰত ভূ-খণ্ডৰ সৈতে সংযোজিত কৰিছে। ভাৰতৰ অন্য প্ৰান্তৰ সৈতে অঞ্চলটোক সংযোগ কৰা ঠেক অংশটোক চিকেন নেক' (chicken) বুলি জনা যায়।

২.৪ উত্তৰ-পূব ভাৰতৰ চাৰিসীমা

উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যই আন্তৰ্জাতিক সীমাত অৱস্থিত।

- উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ৰাজ্য অৰুণাচল প্ৰদেশৰ পশ্চিমে তিব্বত, উত্তৰে চীন আৰু দক্ষিণে অসম তথা অন্যান্য উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহ অৱস্থিত।
- অসমৰ উত্তৰে ভূটান আৰু অৰুণাচল প্ৰদেশ, পূব আৰু দক্ষিণ-পশ্চিম দিশে অন্যান্য উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহ আৰু পশ্চিমে ত্ৰিপুৰা আৰু বাংলাদেশ অৱস্থিত।
- নাগালেণ্ডৰ পূৱে ম্যানমান আৰু অৰুণাচল, উত্তৰ-পশ্চিম দিশে অসম আৰু দক্ষিণে মণিপুৰ অৱস্থিত।
- মিজোৰামৰ উত্তৰে অসম আৰু মণিপুৰ, পশ্চিমে ত্ৰিপুৰা আৰু বাংলাদেশৰ চিটাগং পাহাৰ তথা দক্ষিণ-পশ্চিম দিশে ম্যানমাৰ পাহাৰ অৱস্থিত।
- মণিপুৰক চাৰিওফালৰ পৰা অন্যান্য উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহে আৱৰি আছে।
- মেঘালয়ৰ দক্ষিণ-পূব দিশে বাংলাদেশ, উত্তৰে অসমৰ গোৱালপাৰা আৰু কাৰ্বি-আংলং জিলা, পূবে অসমৰ উত্তৰ-কাছাৰ জিলা অৱস্থিত।
- ত্ৰিপুৰাৰ উত্তৰ-পশ্চিম আৰু দক্ষিণ দিশে বাংলাদেশ, উত্তৰ-পূব দিশে অসম আৰু মিজোৰাম অৱস্থিত।
- ছিকিমৰ উত্তৰে চীন, দক্ষিণে পশ্চিম বংগ, পূবে তিব্বত আৰু ভূটান তথা পশ্চিমে নেপাল অৱস্থিত।



চিন্তা-চৰ্চা কৰক-১

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰে চাৰিসীমা আলোচনা কৰক।

.....

.....

২.৫ উত্তৰ-পূব ভাৰতৰ পৰিৱেশতন্ত্ৰ

সামগ্ৰিকভাৱে, উত্তৰ-পূব ভাৰতত এক বৈচিত্ৰ্যময় ভূখণ্ড আছে। প্ৰাকৃতিক সৌন্দৰ্য আৰু বৈচিত্ৰ্যই উত্তৰ-পূৰ্বাঞ্চলৰ ভূখণ্ডক অদ্বিতীয়। পাহাৰ, পৰ্বত, মালভূমি, ভৈয়াম, নদ-নদী, উপত্যকা দ' অঞ্চলসমূহ, চৰ ভূমি, নদী দ্বীপ ইত্যাদি হ'ল অঞ্চলটোৰ কিছুমান উল্লেখযোগ্য বৈশিষ্ট্য। ২০১৫ চনৰ ভাৰতীয় ৰাজ্যিক বনাঞ্চল প্ৰতিবেদনত প্ৰকাশিত তথ্য অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ বনাঞ্চল ১৭১,৯৬৪ বৰ্গ কি. মি.। ই অঞ্চলটোৰ ভৌগোলিক মাটিকালিৰ ৬৫.৫৯ শতাংশ।

ভূ-আকৃতিগত দিশেৰে অঞ্চলটোক কিছুমান নিৰ্দিষ্ট গোট, যেনে পাহাৰীয়া অঞ্চল, মালভূমি অঞ্চল, পলসুৱা ভৈয়াম অঞ্চল, গিৰিপদ বলয় অথবা পাদদেশ আদিত বিভক্ত কৰিব পাৰি। পাহাৰীয়া ভূ-অঞ্চলটোৱে উত্তৰ, দক্ষিণ, উত্তৰ-পূব আৰু দক্ষিণ-পূব দিশৰ ঠাইসমূহ আৱৰি আছে। অৰুণাচলৰ হিমালয় অংশটো প্ৰায়ে পূবা-পশ্চিমা দিশে গতি কৰিছে। ইয়াৰ ফলস্বৰূপে বৃহত্তৰ আল্পচ্-হিমালয় বলয়টো গঠিত হৈছে। অঞ্চলটোৰ দক্ষিণৰ প্ৰান্তত মিজো-লুচাই পাহাৰ অৱস্থিত। আনহাতে, মেঘালয়ত খাচী-জয়ন্তীয়া আৰু গাৰো পাহাৰ আছে। এই পাহাৰলানিয়ে ৰাজ্যখনৰ প্ৰায় ৮০ শতাংশ ঠাই আৱৰি আছে। মালভূমি অঞ্চলটোৱে মেঘালয়ৰ বেছিভাগ অংশ আৰু অসমৰ কাৰ্বি-আংলং জিলাৰ এটা অংশ আৱৰি আছে। গিৰিপদ বলয়টো দক্ষিণ দিশে নাগা-পাটকাই পৰ্বতমালা আৰু উত্তৰ দিশে হিমালয় পৰ্বতমালাৰ পাদদেশৰ কাষে কাষে অৱস্থিত।

উত্তৰ-পূৰ্বাঞ্চলৰ জলবায়ুৰ এক বিশিষ্ট আৰ্হি আছে। গ্ৰীষ্মকালত চৰম আৰ্দ্ৰতাৰ বিপৰীতে বাকী কালছোৱা তুলনামূলকভাৱে শীতল হোৱাৰ দৰে তাপমানৰ ভিন্নতা অঞ্চলটোৰ জলবায়ুত দেখা যায়। জুন মাহৰ আৰম্ভণিৰ পৰা আৰু ছেপ্তেম্বৰ মাহৰ শেষলৈকে বতৰটো গৰম হয়। উত্তৰ-পূৰ্বাঞ্চলত বৰষুণৰ বতৰ মাৰ্চ মাহত আৰম্ভ হৈ অক্টোবৰ মাহৰ শেষলৈ চলে। অঞ্চলটোৰ বাৰ্ষিক সৰ্বমুঠ বৰষুণৰ ৯০% দক্ষিণ-পশ্চিম মৌচুমী বতাহজাকে কঢ়িয়াই আনে। অঞ্চলটোৰ বাসিন্দাসকলে কৃষিকৰ্মৰ বাবে মৌচুমী বৰষুণৰ ওপৰত নিৰ্ভৰ কৰে। বৰষুণৰ পৰিমাণ অঞ্চলভেদে অসমান হয়। উদাহৰণস্বৰূপে, মেঘালয়ৰ মৌচিনৰামত বাৰ্ষিক বৰষুণৰ পৰিমাণ সৰ্বোচ্চ; আনহাতে অসমৰ নগাওঁ জিলা আৰু কাৰ্বি-আংলং জিলাৰ উত্তৰ প্ৰান্তত বৰষুণৰ পৰিমাণ সৰ্বনিম্ন। অঞ্চলটোক দুখন প্ৰধান নদী- ব্ৰহ্মপুত্ৰ আৰু বৰাকে আৱৰি আছে। দুয়োখন নদীৰে উপত্যকাৰ তাপমান নাতিশীতোষ্ণ। এই দুটা প্ৰধান নদী প্ৰণালীৰ বাহিৰে বহুতো সৰু-বৰ উপ-নদীয়ে অঞ্চলটো ভৰা। ব্ৰহ্মপুত্ৰৰ উল্লেখযোগ্য উপনদীসমূহ হ'ল-ছিয়াং অথবা দিহিং, দিবাং, লোহিত, সোৱণশিৰি, কামেং অথবা জীয়াভৰালী, জীয়া ধনশিৰি, মানাহ, বেকী, পাগলাদিয়া, গদাধৰ, সোণকোষ, বুঢ়ীদিহিং,

দিখৌ, ধনশিৰি, ডিগাৰু, সোণকোষ, বুঢ়ীদিহিং, দিখৌ, ধনশিৰি, ডিগাৰু, কপিলী ইত্যাদি। বৰাক নদীৰ উল্লেখযোগ্য উপনৈসমূহ হ'ল-জিৰি, জাতিংগা, সোণাই, ধলেশ্বৰী, লুভু ইত্যাদি। (ইয়াৰ উপৰি, উত্তৰ-পূব ভাৰতত বহুতো জলাহ পিটনি আছে।ব্ৰহ্মপুত্ৰৰ মাজত অৱস্থিত মাজুলী পৃথিৱীৰ সৰ্ববৃহৎ মিঠাপানীৰ (freshwater) নদীদ্বীপ



চিন্তা-চৰ্চা কৰক-২

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰধান নদী দুখনৰ উপনৈসমূহৰ নাম বিচাৰি উলিয়াই তালিকা প্ৰস্তুত কৰক।

.....

.....

২.৬ অসম-ইয়াৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্ৰ

অসম পূব হিমালয়ৰ পাদদেশত অৱস্থিত ভাৰতৰ এখন উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্য। অসমক উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহে বেৰি আছে। অসম আৰু ইয়াৰ বাণিজ্যিক ৰাজধানী গুৱাহাটীয়ে সাত ভনী খ্যাত সাতখন ৰাজ্যৰে গঠিত উত্তৰ-পূব অঞ্চলৰ মূল প্ৰৱেশদ্বাৰখন সৃষ্টি কৰিছে। ছিকিমক ২০০৩ চনত উত্তৰ-পূব ভাৰতৰ অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ পূৰ্বে ছিকিম 'সাতভনী'ৰ অংশ নাছিল।

অৱস্থিতিঃ ২৪ ৰ পৰা ২৮ ডিগ্ৰী উত্তৰ দ্ৰাঘিমাংশ আৰু ৯০ ৰ পৰা ৯৬ ডিগ্ৰী পূৱ দ্ৰাঘিমাংশৰ মাজত অসম অৱস্থিত। ই ভূটান আৰু বাংলাদেশৰ সৈতে সীমা ভাগ কৰে। ৰাজ্যখন অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ৰ দ্বাৰা আবৃত হৈ আছে। অসমৰ পূব দিশে অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মণিপুৰ; পশ্চিমে বাংলাদেশ আৰু ত্ৰিপুৰা তথা দক্ষিণে মিজোৰাম আৰু মেঘালয় অৱস্থিত। অসমৰ মুঠ মাটিকালি ৭৮,৫২৩, বৰ্গ কি. মি.।

ভৌগোলিকভাৱে অসম উত্তৰে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু দক্ষিণে বৰাক উপত্যকাত বিভক্ত। এই ভৌগোলিক অঞ্চল দুটাক কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰে বিভক্ত কৰি ৰাখিছে। অসমৰ মুঠ জনসংখ্যাৰ এক বৃহৎ সংখ্যকে উত্তৰৰ বিশাল ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰে। ব্ৰহ্মপুত্ৰ নদীৰ প্ৰবাহৰ ওপৰত ভিত্তি কৰি ৰাজ্যখনক উজনি অসম আৰু নামনি অসম নামে দুটা ভাগত বিভক্ত কৰিব পাৰি। দক্ষিণ প্ৰান্ত বলয়টো অথবা বৰাক উপত্যকা অঞ্চলটো চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ এক বৰ্ধিত অংশ মাথোঁ। অঞ্চলটোৰ প্ৰধান জিলাকেইখন হ'ল- কৰিমগঞ্জ, কাছাৰ আৰু হাইলাকান্দি। কাৰ্বি আংলং অসমৰ কেন্দ্ৰস্থল আৰু ই সৰ্বমুঠ ১০,৪৩৪ বৰ্গ কি.মি. মাটি কালি আৱৰি আছে। কাৰ্বি আংলং বড়ো, কুকি, ডিমাছা, তিৱা, গাৰো আৰু খাচী আদিৰ দৰে প্ৰধান জনগোষ্ঠীসমূহৰ বাসভূমি।

জলবায়ুঃ বিষুৱীয় মৌচুমী বৰ্ষাৰণ্যৰ উপস্থিতিৰ বাবে অসমৰ জলবায়ু নাতিশীতোষ্ণ। গ্ৰীষ্মকালত অসমত বৰষুণৰ পৰিমাণ বেছি হয় আৰু বায়ুমণ্ডলত আৰ্দ্ৰতাৰ পৰিমাণ বেছি। গ্ৰীষ্ম ঋতু মে' মাহৰ মাজৰ পৰা আৰম্ভ হৈ অক্টোবৰলৈ চলে। শীতকাল অক্টোবৰ মাহৰ শেষৰ পৰা ফ্ৰেব্ৰুৱাৰীৰ শেষ পৰ্যন্ত চলে। গ্ৰীষ্মকালত ৰাজ্যখনৰ সৰ্বোচ্চ তাপমান ৩৫ ৰ পৰা ৩৮ ডিগ্ৰী চেলছিয়াছ হয়গৈ। বছৰটোৰ প্ৰায় আটাইকেইটা ঋতুতেই বৰষুণ হয়।

ভূ-সংস্থান(topography) বৰষুণৰ পৰিমাণ, কৃষিকাৰ্য ইত্যাদিৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি অসমৰ মাটি অঞ্চল ভেদে ভিন্ন গুণসম্পন্ন। ৰাজ্যখনৰ মাটিক চাৰিটা ভাগত ভগাব পাৰি। যেনে- নতুন পলসুৱা; পুৰণি পলসুৱা; ৰঙা পলসুৱা আৰু ৰঙামাটি। ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ আৰু দক্ষিণ অংশৰ মাটি ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈসমূহে কঢ়িয়াই অনা পলসেৰে ভৰা। অসমত বহুতকেইখন বিষুৱীয় বৰ্ষাৰণ্য আছে। তাৰোপৰি, অসমত নদীৰ দ্বাৰা সৃষ্ট ঘাঁহনি, অসংখ্য জলাহ আৰু চৰভূমি আছে। অসমত পাঁচখন ৰাষ্ট্ৰীয় উদ্যান আছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, ওৰাং ৰাষ্ট্ৰীয় উদ্যান, ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান,নামেৰি ৰাষ্ট্ৰীয় উদ্যান আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যান অসমৰ গৌৰৱ।

কৃষিকৰ্ম অসমৰ লোকসকলৰ মূল বৃত্তি। ই ৰাজ্যখনৰ মুঠ কৰ্মশক্তিলৈ ৬৩ শতাংশ অৰিহণা যোগায়। ভাত অঞ্চলটোৰ প্ৰধান খাদ্য আৰু ধানৰ উৎপাদনেই হ'ল কৃষিকৰ্মৰ সৈতে জড়িত লোকসকলৰ প্ৰধান জীৱিকা। বিভিন্ন ধৰণৰ মাহজাতীয় শস্য, মৰাপাট, চাহপাত, ফল-মূল আদি হ'ল অঞ্চলটোত উৎপাদিত অন্যান্য কৃষিভিত্তিক শস্য। অঞ্চলটোত কুঁহিয়াৰ, আলু, পিয়াঁজ, কপাহ, তৈলশস্য, নাৰিকল আৰু তামোল আদিৰো খেতি কৰা হয়। পাহাৰীয়া অঞ্চলৰ লোকসকলে ঝুম খেতি অথবা স্থান সলনি কৰি (shifting) অৰ্থাৎ ঝুম খেতি কৰে। জনগোষ্ঠীয় কৃষকসকলে বনাঞ্চলৰ নিৰ্দিষ্ট অংশ কিছুমান জ্বলাই ইয়াক এক চক্ৰীয় অন্তৰালত ব্যৱহাৰ কৰি এই প্ৰথাটো বৰ্তাই ৰাখে। ফল-মূলৰ ভিতৰত অসমত কমলা টেঙা আৰু অন্য টেঙা ফল, কল, মধুৰিআম, আনাৰস আৰু আম পোৱা যায়। বনাঞ্চলসমূহ অসমৰ অৰ্থনীতিৰ এক অপৰিহাৰ্য অংশ। কাঠ আৰু বাঁহ অসমৰ বনাঞ্চলৰ দুটা প্ৰধান সম্পদ। অসমৰ চাহপাত এক প্ৰধান নগদী শস্য (cash crop) পৃথিৱীৰ মুঠ চাহৰ ১৫ শতাংশ অসমে উৎপাদন কৰে। অসমৰ ৭৫ শতাংশ চাহ বাগিচা ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰং, শিৱসাগৰ আৰু লখিমপুৰ জিলাত অৱস্থিত। কাছাৰ জিলাত ২০ শতাংশ আৰু বাকী থকা ৫ শতাংশ নামনি ব্ৰহ্মপুত্ৰ উপত্যকাত অৱস্থিত।

অসমত বহুতো খনিজ উৎস আছে। প্ৰধান খনিজ দ্ৰব্যসমূহ হ'ল-কয়লা, তেল আৰু প্ৰাকৃতিক গেছ, চূণশিল, ড'ল'মাইট, লো, ছিলিমেনাইট, অগ্নিমৃত্তিকা, পাইৰাইট, চীনামাটি (kachin), কাঁচ-মাটি (glass-sand), নিমখ, তাম। খাচী পাহাৰ, জয়ন্তীয়া পাহাৰ, মিকিৰ পাহাৰ আৰু মাকুমত কয়লাৰ খনি আছে। অসমৰ তেল উৎপাদনকাৰী অঞ্চলসমূহ ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনি অসমত অৱস্থিত। অসমৰ ডিগবৈ, নুনমাটি, বঙাইগাওঁ আৰু নুমলীগড়ত মুঠ চাৰিটা তেল শোধনাগাৰ আছে।



অগ্রগতি নিৰীক্ষণ-১

প্রশ্ন নং ১ ঃ মাজুলী মণিপুৰ ৰাজ্যত অৱস্থিত। (শুদ্ধ /অশুদ্ধ)

প্রশ্ন নং ২ ঃ অসমৰ ৰাজধানী শিলং। (শুদ্ধ /অশুদ্ধ)

প্রশ্ন নং ৩ ঃ অসম উত্তৰ-পূব ভাৰতৰ সর্ববৃহৎ ৰাজ্য । (শুদ্ধ /অশুদ্ধ)

প্রশ্ন নং ৪ ঃ অসমৰ তেল শোধনাগাৰ কেইটাৰ নাম লিখক।

প্রশ্ন নং ৫ ঃ ঝুম খেতি মানে কি?



চিন্তা-চর্চা কৰক-৩

অসমৰ খেতি কৰাৰ প্রথাবোৰ আলোচনা কৰক।

.....

.....



চিন্তা-চর্চা কৰক-৪

অসমৰ জলবায়ুৰ বৈশিষ্ট্যসমূহ বিচাৰি উলিয়াওক।

.....

.....

২.৭ উত্তৰ-পূব ভাৰতৰ উদ্ভিদ আৰু প্রাণীজগত তথা দুষ্প্রাপ্য প্রজাতিসমূহ

পাহাৰ আৰু ভৈয়াম- উভয় ধৰণৰ অঞ্চলেৰে ভৰা উত্তৰ-পূর্বাঞ্চল ইয়াৰ সেইজীয়া বননি আৰু বিভিন্ন প্রজাতিৰ উদ্ভিদ তথা প্রাণীকুলৰ বাবে বিখ্যাত। অঞ্চলটোৰ মুঠ ভৌগোলিক পৰিসীমাৰ ৬৪ শতাংশ বনাঞ্চলে আৱৰি আছে আৰু ই এক বনাঞ্চল উদবৃত্ত (surplus) অঞ্চল। অঞ্চলটোত মুঠ ৫১ ধৰণৰ বনাঞ্চল পোৱা যায়। এইবোৰক সাধাৰণতে ছটা প্রধান ভাগত বিভক্ত কৰা হয়। ভাগকেইটা হ'ল-

- বিষুৱীয় আর্দ্র পর্ণপাতী বনাঞ্চল
- এনেধৰণৰ বনাঞ্চল ত্রিপুৰা, মেঘালয়, অসম আৰু অৰুণাচল প্রদেশত পোৱা যায়।
- বিষুৱীয় উপ চিৰসেউজীয়া বনাঞ্চল- এনে ধৰণৰ বনাঞ্চল অৰুণাচল প্রদেশ, অসম, নাগালেণ্ড, মেঘালয় আৰু মণিপুৰ আদি ৰাজ্যত পোৱা যায়।
- বিষুৱীয় আর্দ্র চিৰসেউজীয়া বনাঞ্চল
- উপ বিষুৱীয় বনাঞ্চল- এনে ধৰণৰ বনাঞ্চল মেঘালয় আৰু মিজোৰামত পোৱা যায়।

- নাতিশীতোষ্ণ বনাঞ্চল- এনে ধৰণৰ বনাঞ্চল অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মিজোৰামৰ কিছু অংশত পোৱা যায়।
- আল্‌পাইন বনাঞ্চল- এনে ধৰণৰ বনাঞ্চলসমূহ প্ৰধানতঃ ছিকিম আৰু অৰুণাচল প্ৰদেশৰ দৰে ৰাজ্যসমূহত পোৱা যায়।

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ ঔষধি আৰু সুগন্ধিযুক্ত উদ্ভিদৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে চহকী। ফুলৰ প্ৰজাতিতো চহকী। ফুলৰ প্ৰজাতিৰ ক্ষেত্ৰত আটাইতকৈ অধিক বৈচিত্ৰ্য থকা ৰাজ্য দুখন হ'ল অৰুণাচল প্ৰদেশ আৰু ছিকিম। অসমত মুঠ ২৯২ বিধ প্ৰজাতিৰ অ'ৰ্কিড পোৱা যায়, আৰু ই উত্তৰ-পুব ভাৰতত পোৱা সৰ্বমুঠ অ'ৰ্কিড প্ৰজাতিবোৰৰ ৪২ শতাংশ। পৃথিৱীৰ মুঠ ১৩০০ প্ৰজাতিৰ অৰ্কিডৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলত প্ৰায় ৮০০ টা প্ৰজাতিৰ অ'ৰ্কিড পোৱা যায়। এতিয়ালৈ তালিকাভূক্ত হোৱা বিলুপ্তপ্ৰায় অ'ৰ্কিড প্ৰজাতিসমূহ হ'লঃ অসমত পোৱা ৰঙা ৰন্দা; ইংৰাজীত 'ফ'ক্স টেইল' বুলি কোৱা অসমৰ কপৌফুল; মণিপুৰ আৰু মিজোৰামত পোৱা এৰিয়া ফ্ৰেগ্ৰেন্চ; ছিকিমৰ জলাহ অঞ্চলত পোৱা ডেণ্ড্ৰ'বিয়াম ফিমব্ৰিয়াতাম; মণিপুৰত পোৱা চিৰ'ই লিলি আৰু ৰক্তচাপ নিৰাময়ৰ বাবে ব্যৱহৃত ক্লেৰ'ডেণ্ড্ৰাম আদি।

উদ্ভিদ কুলৰ দৰে অঞ্চলটো প্ৰাণী বৈচিত্ৰ্যৰ ক্ষেত্ৰতো চহকী। ভাৰতত সন্ধান পোৱা ১৫ টা কপিগোষ্ঠী (primate) ৰ ভিতৰত ৯ টাৰ বাসভূমি উত্তৰ-পূৰ্বাঞ্চল। অসমৰ ধুবুৰী জিলাৰ চক্ৰশীলা পাহাৰ সংৰক্ষিত অঞ্চলত আৱিস্কাৰ হোৱা 'সোণালী বান্দৰ'ৰ প্ৰজাতিটো আটাইতকৈ থলুৱাকৃত (localized) বান্দৰ প্ৰজাতিসমূহৰ ভিতৰত অন্যতম। ভাৰতত সন্ধান পোৱা ছটা ডাঙৰ মেকুৰী প্ৰজাতিৰ ভিতৰত চাৰিটাই উত্তৰ-পূৰ্বাঞ্চলত পোৱা যায়। উক্ত প্ৰজাতি চাৰিটা হ'ল-বাঘ, নাহৰফুটুকী বাঘ, হিমবাঘ আৰু লতামাকৰী বাঘ। এক দুষ্প্ৰাপ্য জন্তুৰ আখ্যা পোৱা বাঘৰ বাবে অসম এক উৎকৃষ্ট বসতি স্থল। ভাৰতত পোৱা আটাইকেইটা ভালুক প্ৰজাতিৰ বাসভূমি উত্তৰ-পূৰ্বাঞ্চল। কেৱল উত্তৰ-পূৰ্বাঞ্চলত পোৱা হোলোক নামৰ বান্দৰৰ প্ৰজাতিটো বৰ্তমান ভাৰতৰ দুষ্প্ৰাপ্য জন্তুৰ তালিকাভুক্ত অঞ্চলটোৰ পাদদেশৰ ঘাঁহনি আৰু চিৰসেউজ বনাঞ্চলসমূহ এক বৃহৎ সংখ্যক এছিয়ান প্ৰজাতিৰ হাতী, এশিঙীয়া গঁড় আৰু বনৰীয়া ম'হৰ আশ্ৰয়স্থল। স্থানীয়ভাৱে ছাংগাই। নামেৰে জনাজাত ব্ৰ' এণ্ট্‌লাৰ্ড হৰিণাবিধ মণিপুৰৰ স্থানীয় আৰু বৰ্তমান পৃথিৱীৰ আটাইতকৈ দুষ্প্ৰাপ্য হৰিণাৰ উপ-প্ৰজাতিসমূহৰ ভিতৰত অন্যতম। অৰুণাচল প্ৰদেশ কিছুমান তৃণভোজী জন্তু, যেনে- নতুনকৈ আৱিস্কৃত চীনা গ'ৰাল, গৰাল, ৰঙা গ'ৰাল, টাকিন আৰু চেৰ' (serow) নামৰ প্ৰজাতিসমূহৰ আশ্ৰয়ভূমি। নিম্ন স্তৰৰ মেৰুদণ্ডী প্ৰাণীসমূহৰ ভিতৰত উত্তৰ-পূব ভাৰতত ১৩৭ বিধ প্ৰজাতিৰ সৰীসৃপ পোৱা যায়। অঞ্চলটোত কাছৰ বৈচিত্ৰ্য সৰ্বাধিক । অসমত ৫৮ বিধ, মণিপুৰত ৩৪ বিধ আৰু অৰুণাচল প্ৰদেশত ৯২ বিধ সাপৰ প্ৰজাতি পোৱা যায়। অসমত ২০ বিধ উপ-প্ৰজাতিৰ জেঠী পোৱা যায়। তথ্য অনুসৰি, উত্তৰ-পূৰ্বাঞ্চলত ৩৬২৪ বিধ প্ৰজাতিৰ

কীট- পতঙ্গ পোৱা যায়। ছিকিমত ৬৮৯ বিধতকৈও অধিক প্ৰজাতিৰ পখিলা পোৱা যায়। অঞ্চলটো ৬৪ বিধ প্ৰজাতিৰ উভচৰৰ বাসভূমি বুলিও তথ্য আছে। ওৰাং বন্যপ্ৰাণী অভয়াৰণ্যখনেই এক মাত্ৰ ঠাই য'ত ওৰাং আঠালগা (sticky) ভেকুলীৰ প্ৰজাতিটো পোৱা যায়। দেশৰ সাতটা স্থানীয় পক্ষী অঞ্চলৰ ভিতৰত দুটা উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত। ইয়াৰে এটা পূৱ হিমালয়ত আৰু আনটো অসমৰ ভৈয়াম অঞ্চলত অৱস্থিত। অৰুণাচল প্ৰদেশ অকলেই ৭৬০ টা চৰাই প্ৰজাতিৰ বাসভূমি ।

উ প চিৰসেউজ বনাঞ্চলেৰে ভৰা উত্তৰ-পূৰ্বাঞ্চলৰ ব্ৰহ্মপুত্ৰ উপত্যকাত ভাৰতৰ ভিতৰতে সৰ্বাধিক হাতী আৰু পৃথিৱীৰ ভিতৰতে সৰ্বাধিক এশিঙীয়া গঁড় আৰু বাঘ পোৱা যায়। অঞ্চলটোৰ অন্যান্য বিলুপ্তপ্ৰায় স্তন্যপ্ৰায়ী প্ৰাণীসমূহৰ ভিতৰত দলহৰিণা, গৌৰ, লতামাকৰী বাঘ, নলগাহৰি, কেপড্ লীফ বান্দৰ, এচীয় ক'লা ভালুক ইত্যাদিৰ নাম ল'ব পাৰি। ব্ৰহ্মপুত্ৰ নদীত মিঠাপানীত বাস কৰা শিহু পোৱা যায়। ৩৭০ বিধ প্ৰজাতিৰ চৰাইকুলে অঞ্চলটো অধিক চহকী কৰি তুলিছে। ইয়াৰে ২ বিধ চৰাই উপত্যকাটোৰ স্থানীয় প্ৰজাতি। উত্তৰ-পূৰ্বাঞ্চলৰ ডাঙৰ পাতেৰে আৱৰা অৰণ্যবোৰত পোৱা বিলুপ্ত প্ৰায় প্ৰজাতিৰ জীৱ-জন্তুৰ ভিতৰত বাঘ, ৰঙা পাণ্ডা, টাকিন, চেৰ', অসমীয়া মলুৱা বান্দৰ, বনৰীয়া কুকুৰ, কলা আঁচথকা নেউল আৰু ইৰাৱাডী কেৰ্কেটুৱাৰ নাম ল'ব



চিন্তা-চৰ্চা কৰক-৫

উত্তৰ-পূব ভাৰতৰ দুষ্প্ৰাপ্য প্ৰজাতিৰ জীৱ-জন্তুৰ নামবোৰ তালিকাভুক্ত কৰক।

.....

.....



অগ্ৰগতি নিৰীক্ষণ-২

প্ৰশ্ন নং ১ ঃ উত্তৰ-পূৰ্বাঞ্চলত থকা বনাঞ্চলসমূহৰ প্ৰকাৰসমূহ কি কি? আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পাৰিপাৰ্শ্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক।

২.৮ পাৰিপাৰ্শ্বিক জৈৱ-বৈচিত্ৰ্যময় অঞ্চল

উত্তৰ-পূৰ্বাঞ্চলক ইয়াৰ উচ্চ জৈৱ-বৈচিত্ৰ্যৰ বাবে পূব হিমালয় জৈৱ-বৈচিত্ৰ্য অঞ্চলৰ অধীনত বুলি স্বীকৃতি দিয়া হৈছে। পৃথিৱীপৃষ্ঠৰ কনিষ্ঠতম আৰু জটিল পৰ্বত বিন্যাসক প্ৰতিনিধিত্ব কৰা

হিমালয়ক ৩৪ টা গোলকীয় জৈৱ-বৈচিত্ৰ্যময় অঞ্চলৰ এটা বুলি গণ্য কৰা হয়। ৫.৩ লাখ বৰ্গ কি.মি. তকৈও অধিক ভৌগোলিক পৰিধিৰ ভাৰতীয় হিমালয় অঞ্চলটোৱে (আই এইচ আৰ) সমগ্ৰ হিমালয়ৰ জৈৱ- বৈচিত্ৰ্যৰ এক বৃহৎ অংশ সৃষ্টিত অৰিহণা আগবঢ়াইছে আৰু প্ৰতিটো স্তৰতে জৈৱ-বৈচিত্ৰ্যৰ সৃষ্টিকাৰী উপাদানসমূহৰ প্ৰাচুৰ্যতাৰ কথা সূচায় আৰু বিভিন্ন উপাদানৰ প্ৰতিনিধিত্ব কৰে। এই অঞ্চলটোৱে দহখন ৰাজ্য ক্ৰমে জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, ছিকিম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ক সম্পূৰ্ণৰূপে আৰু অসম তথা পশ্চিম বংগৰ পাহাৰীয়া অঞ্চলসমূহ আৱৰি আছে। ৱৰ্ল্ড ৱাইড ফান্দ ফ'ৰ নেচাৰ (সংক্ষেপে ডব্লিউ ডব্লিউ এফ) সংস্থাটোৱে সমগ্ৰ পূব হিমালয় অঞ্চলটোক এক অগ্ৰাধিকাৰপ্ৰাপ্ত গোলকীয় ২০০ টা পৰিৱেশ অঞ্চল (Ecoregion)ৰ এটা বুলি স্বীকৃতি দিছে। অঞ্চলটো এটা স্থানীয় পক্ষীৰে ভৰা অঞ্চল আৰু কৃষিজাত শস্য, উৎপাদনৰ এক গুৰুত্বপূৰ্ণ উৎস কেন্দ্ৰ। উত্তৰ-পূৰ্বাঞ্চল ভাৰতীয় উপমহাদেশত সন্ধান পোৱা ১২০০ বিধ চৰাইৰ প্ৰজাতিৰ ভিতৰত ৮৩৬ বিধৰ বাসস্থান। অঞ্চলটো সৰ্বাধিক পক্ষী জৈৱ-বৈচিত্ৰ্যৰে ভৰা। ভাৰতীয় কৃষিভিত্তিক গৱেষণা পৰিষদে (আই চি এ আৰ) অঞ্চলটোক য্যাৰ্মপ্লাজম্ কেন্দ্ৰ বুলি আখ্যা দিছে আৰু কেন্দ্ৰীয় উদ্ভিদ বংশগতি সমল পৰিষদ (এন বি পি জি আৰ) এ প্ৰকাশ কৰা প্ৰতিবেদনত অঞ্চলটোক শস্য উদ্ভিদৰ বনৰীয়া প্ৰজাতিত চহকী অঞ্চল বুলি অভিহিত কৰিছে। পূব হিমালয় জৈৱ-বিচিত্ৰ্যময় অঞ্চলটোৰ উচ্চতা বৃদ্ধি হৈ সৃষ্টি হোৱা ভাৰত-বাৰ্মা জৈৱ-বৈচিত্ৰ্যময় অঞ্চলটো হ'ল ভাৰতৰ দ্বিতীয়টো বৃহৎ জৈৱ-বৈচিত্ৰ্যময় অঞ্চল। এই জৈৱ-বৈচিত্ৰ্যময় অঞ্চলটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্য আৱৰি আছে। অসমত বিখ্যাত এশিঙীয়া গঁড়ৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান; স্থানীয় আঠালগা ভেকুলীৰ বাবে ওৰাং ৰাষ্ট্ৰীয় উদ্যান; ভাৰতীয় উৰন্ত ভেকুলী আৰু বিভিন্ন প্ৰজাতিৰ মেৰুদণ্ডী প্ৰাণীৰ বাবে নামেৰি ৰাষ্ট্ৰীয় উদ্যান; ২০ বিধতকৈও অধিক বিশ্বজনীনভাৱে সংকটাপন্ন মেৰুদণ্ডী প্ৰাণীৰ বাসস্থানৰ বাবে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান; জৈৱ মণ্ডল সংৰক্ষিত অঞ্চল; বাৰেৱহনীয়া প্ৰজাতিসমূহৰ সংৰক্ষণৰ বাবে উত্তৰ আৰু পূব কাৰ্বি আংলং আৰু গৰমপানী আৰু নামৰৰ বন্যপ্ৰাণী অভয়াৰণ্য; নলগাহৰি, বাঘ, বনৰীয়া পানী ম'হ আৰু কেটেলা পহুৰ বাবে মানাহ ব্যাঘ্ৰ অভয়াৰণ্য ; সোণালী বান্দৰ, বেংগল ফ্লৰিকান আৰু কাছৰ চাৰিটা প্ৰজাতিৰ বাবে সোণাই- ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্য; চৰাইৰ কিছুমান প্ৰজাতি সংৰক্ষণৰ বাবে লামডিং স্থানীয় পক্ষী এলেকা; ৰঙচুৱা মুগা বুকুৰ টিপচী চৰাইৰ বাবে জাতিংগা; দেও হাঁহ, বগা হেৰ'ণ আৰু বৈকাল শৰালি হাঁহৰ (Baikal Teal) বাবে উজনি দিহিং বনাঞ্চল আছে। মণিপুৰৰ জৈৱ-বৈচিত্ৰ্যময় অঞ্চলটোত কাছৰ কেইটামান প্ৰজাতি আৰু হোলোক গিবন থকা যুকো চিৰ'ই অঞ্চল দুটা আছে। মেঘালয়ত স্থানীয় ভেকুলীৰ প্ৰজাতিৰ বাবে চেৰাপুঞ্জীৰ থিয় পৰ্বতমালা, গিৰিখাত আৰু সংৰক্ষিত লোৰ, খাচী পাহাৰ, ছিজু পাহাৰ আৰু গাৰো পাহাৰ অঞ্চল প্ৰসিদ্ধ নাগালেণ্ডৰ ইটাংকি ৰাষ্ট্ৰীয় উদ্যান, মাৰাটলংগিৰি আৰু ধনশিৰি অঞ্চল বাৰেৱহণীয়া জীৱ প্ৰজাতিসমূহৰ বাসভূমি। পূব হিমালয় জৈৱ-বৈচিত্ৰ্যময় অঞ্চলৰ অধীনত ছিকিমৰ কাঞ্চনজংঘা ৰাষ্ট্ৰীয় উদ্যান আৰু মেনাম বন্যপ্ৰাণী অভয়াৰণ্য অৱস্থিত।

জৈৱ-বৈচিত্র্যৰে ভৰা অঞ্চলসমূহত থকা জীৱ-জন্তুৰ প্রজাতিসমূহ সংকটৰ মুখামুখি হোৱাৰ মূল কাৰণসমূহ হ'ল- বাসস্থান ধ্বংস, উৎসৰ অপব্যৱহাৰ, চোৰাং চিকাৰ আৰু জলবায়ু পৰিৱর্তন। বেছিভাগ সংৰক্ষিত পাৰিপার্শ্বিক অঞ্চল দূৰৱর্তী আৰু দুর্গম। গছ-কটা, বর্দ্ধিত কৃষিকর্ম আৰু মানুহৰ বর্দ্ধিত বসতিকৰণ আদিয়ে বনাঞ্চল ধ্বংস আৰু নদী প্রদূষণ আদিৰ দৰে সমস্যাৰ সৃষ্টি কৰিছে। এই কাৰণসমূহে জীৱ-জন্তু তথা উদ্ভিদ প্রজাতিসমূহৰ সংখ্যা হ্রাস কৰি আনিছে। সঠিক ব্যৱস্থাপনা অবিহনে চলা বর্দ্ধিত পর্যটনে পৰিৱেশকেন্দ্রিক বিবাদৰ সৃষ্টি কৰিছে। নির্বিচাৰ চিকাৰ তথা চোৰাং চিকাৰে ডাঙৰ স্তন্যপায়ী জন্তুসমূহ, যেনে- বাঘ, গঁড় আৰু হাতীৰ বাবে সংকট কঢ়িয়াই আনিছে। ব্যৱসায়িক উদ্দেশ্যেৰে জন্তু আৰু চৰাইৰ প্রজাতিসমূহ চিকাৰ কৰা অথবা ধৰাৰ লগতে মানুহৰ দ্বাৰা ভূমি আৰু বনাঞ্চলৰ শোষণে জৈৱ-বৈচিত্র্যময় অঞ্চলবোৰৰ বাবে ভাবুকিৰ সৃষ্টি কৰিছে।

উত্তৰ-পূর্বাঞ্চলৰ প্রতিখন ৰাজ্যতে ৰাজ্যিক জৈৱ-বৈচিত্র্য সংৰক্ষণৰ কৌশলগত কার্য পদ্ধতিৰ অধীনত চৰকাৰে কিছুমান নির্দিষ্ট ব্যৱস্থা গ্রহণ কৰিছে। প্রতিখন ৰাজ্যকে পাৰিপার্শ্বিকতা উন্নত কৰিবলৈ ব্যক্তিগতভাৱে প্রয়োজনীয় নীতি গ্রহণ কৰা হৈছিল। ২০০২ চনত ডব্লিউ ডব্লিউ এফ- ভাৰত শাখাই প্রৱর্তন কৰা জৈৱ-বৈচিত্র্য সংৰক্ষণ প্রাধিকৰণ প্রকল্প (বি চি চি পি) প্রথমটো এনে অনুশীলন আছিল যিয়ে জৈৱিক আৰু সামাজিক-অর্থনৈতিক আদর্শৰ ভিত্তিত উৎকর্ষ কেন্দ্র আৰু উদ্ভিদ-জীৱৰ প্রজাতিসমূহ চিনাক্ত কৰিবলৈ প্রচেষ্টা চলোৱাৰ লগতে সেইবোৰৰ সংৰক্ষণৰ বাবে কৌশল বিকাশৰ প্রয়াস কৰিছিল। অসম, অৰুণাচল প্রদেশ, মণিপুৰ আৰু ছিকিমৰ উৎকর্ষ কেন্দ্রসমূহ এই প্রকল্পটোৰ অধীনত নির্ণয় কৰা হৈছিল। ঠিক তেনেদৰে, প্রকৃতি সংৰক্ষণ আৰু পাৰিপার্শ্বিক ৰক্ষণাবেক্ষণৰ কাৰণে প্রতিখন ৰাজ্যতে প্রাকৃতিক সম্পদ ব্যৱস্থাপনা বিভাগ থাকে।



জানি থোৱা ভাল

ৱর্ল্ড ৱাইড ফান্দ ফ'ৰ নেচাৰ, চমুকৈ ডব্লিউ ডব্লিউ এফ, হ'ল ১৯৬১ চনত স্থাপিত এটা আন্তর্জাতিক বে-চৰকাৰী সংগঠন।



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ উত্তৰ-পূব অঞ্চলটো আঠখন ৰাজ্য, যেনে- অৰুণাচল প্রদেশ, অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্রিপুৰাৰে গঠিত।
- উত্তৰ-পূব অঞ্চলটো ভাৰতৰ পূব প্রান্তত অৱস্থিত।
- অঞ্চলটো২১.৫৭ উত্তৰৰ পৰা ২৯.৩০ উত্তৰ দ্রাঘিমাংশ আৰু ৮৯.৪৬ পূবৰ পৰা ৯৭.৩০ পূব দ্রাঘিমাংশৰ মাজত অৱস্থিত।

- ভূ -আকৃতিগত দিশেৰে অঞ্চলটোক কিছুমান নির্দিষ্ট গোটত, যেনে- পাহাৰীয়া অঞ্চল, মালভূমি অঞ্চল, পলসুৱা ভৈয়াম অঞ্চল, গিৰিপদ বলয় অঞ্চল অথবা পাদদেশ আদিত বিভক্ত কৰিব পাৰি।
- উত্তৰ-পূৰ্বাঞ্চলৰ জলবায়ুৰ এক বিশিষ্ট আৰ্হি আছে। গ্ৰীষ্মকালত চৰম আৰ্দ্ৰতাৰ বিপৰীতে বাকী কালছোৱা তুলনামূলকভাৱে শীতল হোৱাৰ দৰে ভিন্নতা অঞ্চলটোৰ জলবায়ুত দেখা যায়।
- জুন মাহৰ আৰম্ভণিৰ পৰা ছেপ্তেম্বৰ মাহৰ শেষলৈ অঞ্চলটোৰ বতৰ গৰম হয়।
- পাহাৰ আৰু ভৈয়াম উভয় অঞ্চলৰ সমষ্টি উত্তৰ-পূৰ্বাঞ্চল ইয়াৰ সেউজীয়া বননি আৰু বিভিন্ন প্ৰজাতিৰ উদ্ভিদ তথা প্ৰাণীকুলৰ প্ৰাচুৰ্যৰ বাবে বিখ্যাত।
- অঞ্চলটোৰ মুঠ ভৌগোলিক মাটিকালিৰ ৬৪ শতাংশ বনাঞ্চলে আৱৰি ৰাখিছে আৰু ই এক বনাঞ্চল উদবৃত্ত (Surplus)অঞ্চল।
- উত্তৰ-পূৰ্বাঞ্চলক ইয়াৰ সমৃদ্ধ জৈৱ-বৈচিত্ৰ্যতাৰ বাবে পূব হিমালয় জৈৱ-বৈচিত্ৰ্য অঞ্চলৰ এটা অংশ হিচাপে স্বীকৃতি দিয়া হৈছে।
- পৃথিৱীপৃষ্ঠৰ কনিষ্টতম আৰু জটিল পর্বত বিন্যাসক প্ৰতিনিধিত্ব কৰা হিমালয়ক ৩৪ টা গোলোকীয় জৈৱ- বৈচিত্ৰ্যৰ ভৰা অঞ্চলৰ এটা বুলি গণ্য কৰা হয়।
- পূব হিমালয় জৈৱ-বৈচিত্ৰ্যময় অঞ্চলটোৰ উচ্চতা বৃদ্ধি হোৱাৰ ফলত সৃষ্টি হোৱা ভাৰত বার্মা জৈৱ-বৈচিত্ৰ্য অঞ্চলটো ভাৰতৰ দ্বিতীয় বৃহত্তম জৈৱ-বৈচিত্ৰ্যময় অঞ্চল।
- এই জৈৱ- বৈচিত্ৰ্যময় অঞ্চলটোৱে উত্তৰ-পূব ভাৰতৰ আঠোখন ৰাজ্যকে আৱৰি আছে।



২.১০ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Baruah, H.M. Encyclopedia of North-East India-1, Arunachal Pradesh, Mittal Publications, New Delhi, 2001
2. Saikia, Dr. Amorjit and Sen, 'Society in North East India' (A socio economic and historical perspective), Brahmaputra Offset, Dibrugarh, 2013
3. Karlsson, B.G. Unruly Hills : A Political Ecology of India's North-East. 2011
4. Pugh, B.M., 'A Common Perspective for North-East India, Calcutta, 1967
5. Worah, S; Chatterjee, S and Dutta. P, 'Review of Biodiversity in North East India' WWF, Delhi, March 2006

২.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ - অশুদ্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ - অশুদ্ধ।

৩ নং প্রশ্নৰ উত্তৰ ঃ - ডিগবৈ, নুনমাটি, বঙাইগাঁও আৰু নুমলীগড়।

৪ নং প্রশ্নৰ উত্তৰ ঃ - ২২

চিন্তা-চর্চা কৰক-৬

উত্তৰ-পূব ভাৰতৰ পৰিৱেশতন্ত্র আৰু অসমৰ পৰিৱেশতন্ত্রৰ মাজৰ তুলনামূলক বিৱৰণ দিয়ক।

২.১২ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

১। উত্তৰ-পূব ভাৰতৰ অৱস্থিতি আৰু পৰিৱেশতন্ত্রৰ বিৱৰণ দিয়ক।

২। অসমত পোৱা স্থানীয় প্রজাতিৰ উদ্ভিদ আৰু জীৱসমূহৰ বিষয়ে আলোচনা কৰক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

৩। উত্তৰ-পূব ভাৰতৰ উদ্ভিদকুল আৰু প্রাণীকুলৰ বিষয়ে এটি ৰচনা লিখক।

৪। জৈৱ-বৈচিত্র্যময় অঞ্চলসমূহৰ দুষ্প্রাপ্য প্রজাতিৰ জীৱৰ বাবে ভাবুকিৰ সৃষ্টি কৰা সমস্যাসমূহ আলোচনা কৰক আৰু এই সমস্যাসমূহ সমাধানৰ পৰামর্শ আগবঢ়াওক।

*** ***** ***